# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-9-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।   ৰাজ্যজুৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ তিথি উলহ-মালহেৰে পালন।

২।   মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চন্দ্ৰপুৰত ইছৰ'ৰ উন্নত ধানৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন।

৩।   সন্দেহযুক্ত নাগৰিকে পাছপ'ৰ্ট লাভ কৰা ঘটনাৰ তদন্ত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অসম আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ।

৪।   নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে জিলা আয়ুক্তৰ পৰ্যালোচনা বৈঠক।

**আৰু**

৫।   এছিয়ান গেমছৰ ১০ মিটাৰ এয়াৰ ৰাইফল্‌ছৰ দলীয় শাখাত ভাৰতৰ ৰূপৰ পদক অৰ্জন।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ ৰাজ্যৰ বিভিন্ন ঠাইত উলহ-মালহেৰে পালন কৰা হৈছে। এই উপলক্ষে সত্ৰপীঠ মাজুলীৰ সত্ৰ, নামঘৰসমূহৰ লগতে আঞ্চলিক ধৰ্মালোচনা সভাসমূহৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। জিলাখনৰ বহু ঠাইত কালিৰে পৰা গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হৈছে। উজনি মাজুলীৰ এলেঙ্গি টকৌবাৰী সত্ৰত শ্ৰীৰাম ভকতিদ্বাৰ আঞ্চলিক ধৰ্মালোচনা সভাৰ উদ্যোগত কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। কালি পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাম-প্ৰসঙ্গ, ধৰ্ম-ধ্বজা উত্তোলন, বৰগীত, চিত্ৰাংকণ আৰু দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি মুকলি সভা, বঁটা বিতৰণী অনুষ্ঠান আৰু নিশালৈ স্থানীয় যুৱকৰ সহযোগত হৰিচন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন কৰা হ'ব।

বিশ্বনাথ জিলাৰ শংকৰদেৱ সংঘৰ বিশ্বনাথ আঞ্চলিক নামঘৰতো আজি দিনজোৱা কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশ্বনাথ সমষ্টিৰ বিধায়ক পল্লৱ লোচন দাসে আজি বিশ্বনাথ চাৰিআলিত পুনৰ নিৰ্মাণ কৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আঞ্চলিক নামঘৰ উদ্বোধন কৰি এইদৰে কয়-*(বাইট ঃ দাস)*

ইপিনে মধ্য মাজুলী আঞ্চলিক শংকৰদেৱ সাংস্কৃতিক সংঘৰ সৌজন্যত পোলোগুানী গাঁৱত কালিৰে পৰা চাৰিদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে।

শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰত পাঁচদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটী সত্ৰতো গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হৈছে।

বৰপেটা সত্ৰত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে পুৱা আইসকলৰ প্ৰসংগৰ পাছত বাপসকলে প্ৰসংগ কৰে। জিলাখনৰ পাটবাউসীৰ শ্ৰীশ্ৰীশংকৰদেৱ থান সত্ৰ, গুৰুজনাই বৰপেটালৈ আহি প্ৰথম বাহৰ পতা চিনপৰা ভিঠি থান সত্ৰৰ লগতে গনককুছি সত্ৰ, সুন্দৰীদিয়া সত্ৰকে ধৰি আন আন সত্ৰ, নামঘৰসমূহত গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে।

বাক্সা জিলাৰ কালপানী নামঘৰতো আজিৰে পৰা তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা অঞ্চলটোৰ বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে এটা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত অঞ্চলটোৰ ৰাইজে নামঘৰত যথা ৰীতি নাম-প্ৰসংগ আৰু ধৰ্মীয় ৰীতি-নীতিৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰে। জন্মোৎসৱৰ পৰৱৰ্তী বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত উদ্যোক্তাসকলৰ তৰফৰ পৰা জগন্নাথ বৰ্মনে এইদৰে কয়-

(বাইট ঃ বৰ্মন)

কোচবিহাৰৰ মধুপুৰ সত্ৰ, শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা সত্ৰ, ডিব্ৰুগড় জিলাৰ বিভিন্ন সত্ৰ, নামঘৰসমূহ আৰু **গোলাঘাট** জিলাৰ শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰত পুৱাৰেপৰা গুৰু বন্দনা আৰু নাম-প্ৰসংগ তথা বিভিন্ন কাৰ্যসূচীৰে মুখৰ হৈ পৰে। **গুৱাহাটী** মহানগৰীৰ নামঘৰসমূহতো আজি দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান - ইছৰ'ৰ উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। নেত্ৰা প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক কেন্দ্ৰটোৱে মহাকাশত থকা বিভিন্ন উপাদানৰ গতি-বিধি নিৰীক্ষণৰ লগতে ভাৰতৰ গুৰুত্বপূৰ্ণ মহাকাশ সম্পদসমূহ সুৰক্ষিত ৰখাৰ ক্ষমতা অধিক শক্তিশালী কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে এসময়ত দেশৰ প্ৰধান প্ৰযুক্তি কেন্দ্ৰসমূহৰ পৰা বহু দূৰত বুলি বিবেচিত হোৱা অসমৰ ভূমিত এনে অত্যাধুনিক ৰাষ্ট্ৰীয় আন্তঃগাঁথনি গঢ় লৈ উঠাটো ৰাজ্যবাসীৰ বাবে সন্তুষ্টিৰ বিষয়।

***(বাইট ঃ ড০ শৰ্মা)***

ড° শৰ্মাই এই কৌশলগত ৰাষ্ট্ৰীয় প্ৰকল্পৰ বাবে অসমক বাছনি কৰি ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিৰ মানচিত্ৰত নতুন স্থান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে এগৰাকী সন্দেহযুক্ত নাগৰিকে পাছপোৰ্ট লাভ কৰা ঘটনাৰ তদন্ত কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ প্ৰদান কৰিছে। ৪৫ দিনৰ ভিতৰত তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সঞ্জয় কুমাৰ মেধি আৰু ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ডৰ বিচাৰপীঠে নিৰ্দেশনাত সন্নিৱিষ্ট কৰে। উল্লেখযোগ্য যে দক্ষিণ শামলাৰা, মানকাচৰৰ চালেকা খাতুন নামৰ এগৰাকী

মহিলাক জিলাখনৰ এখন বিদেশী ন্যায়াধিকৰণে বিদেশী হিচাপে ঘোষণা কৰে। যোৱা ৩ জুনত বিদেশী ন্যায়াধিকৰণৰ এই ৰায়ক প্ৰত্যাহ্বান জনাই চালেকা খাতুনে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰে। এই আবেদনখনৰ শুনানি কালতে উচ্চ ন্যায়ালয়ে বিদেশী সংক্ৰান্তীয় গোচৰ ৰুজু হৈ থকা অৱস্থাত চালেকা খাতুনে ২০১৮ চনৰ ৫ অক্টোবৰত পাছপোৰ্ট লাভ কৰা তথ্যৰ ওপৰত দৃষ্টিনিবদ্ধ কৰে। সন্দেহজনক নাগৰিকগৰাকীয়ে কেনেদৰে গোচৰ ৰুজু হৈ থকা অৱস্থাত পাছপোৰ্ট লাভ কৰিলে সেই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে অসম আৰক্ষী সঞ্চালক প্ৰধানক তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ‘বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাত বিত্তীয় যোগান’ শীৰ্ষক সন্মিলনৰ কৃষিখণ্ডৰ ৰূপান্তৰৰ বাবে বিত্তীয় সাহায্য শীৰ্ষক অধিৱেশনত যোৱা শনিবাৰে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। দুদিনীয়া সন্মিলনৰ সামৰণিৰ দিনা অধিৱেশনত অংশ লৈ শ্ৰী মল্লবৰুৱাই কৃষিখণ্ডৰ বিত্তীয় সহায়ৰ ক্ষেত্ৰত অঞ্চলভিত্তিক দৃষ্টিভংগী গ্ৰহণ, প্ৰতিষ্ঠানিক ঋণৰ পৰিসৰ বৃদ্ধি আৰু উৎপাদনৰ পৰা ৰপ্তানিলৈ সুদৃঢ় মূল্য শৃংখল গঢ়ি তোলাৰ পোষকতা কৰে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিত্তমন্ত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত অধিৱেশনত শ্ৰী মল্লবৰুৱাই অসমৰ কৃষিখণ্ডৰ বিশেষ সম্ভাৱনা আৰু ভৌগোলিক বৈশিষ্ট্যৰ সৈতে সংগতি ৰাখি বিত্তীয় নীতি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসমৰ সামগ্ৰিক অৰ্থ ব্যৱস্থা, উন্নয়নৰ পৰিকল্পনা আদি বিষয়ৰ ওপৰত আলোকপাত কৰে।

ooooo

নতুন দিল্লীৰ আই টি অ'ৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত কালি অনুষ্ঠিত হৰিতালিকা তীজ মহোৎসৱ ২০২৬ত নেপালীভাষী গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ সংস্কৃতি, পৰম্পৰা আৰু সামূহিক পৰিচয়ৰ দিনজোৰা উৎসৱ অনুষ্ঠিত হয়। দিল্লী চৰকাৰৰ সহযোগত হাস্ৰো স্বাভিমান ট্ৰাষ্টৰ দ্বাৰা এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, কেবিনেট মন্ত্ৰী কপিল মিশ্ৰ তথা যোগ গুৰু বাবা ৰামদেৱ উপস্থিত থাকে। সমাৰেশত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে কয়, যে তীজ কেৱল এটা উৎসৱেই নহয়, বৰঞ্চ এয়া আস্থা, পৰম্পৰা, সংস্কৃতি আৰু নিজৰ শিপাৰ সৈতে সংযোগ স্থাপন কৰা এক আৱেগিক সেঁতু। এই কাৰ্যসূচী বাস্তৱায়িত কৰি তোলাৰ বাবে শ্ৰী তামাঙে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, মন্ত্ৰী কপিল মিশ্ৰ, যোগ গুৰু বাবা ৰামদেৱ তথা আচাৰ্য বালকৃষ্ণক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী তামাঙে নতুন প্ৰজন্মৰ মাজত সাংস্কৃতিক সম্পৰ্ক ধৰি ৰখাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে এই উৎসৱ সংস্কৃতি, পৰম্পৰা আৰু একতাৰ মহোৎসৱ হিচাপে পৰিগণিত হৈছে।

ooooo

হাইলাকান্দি জিলাৰ পাঁচগ্ৰামৰ ধলেশ্বৰ জিৰো পইণ্টত আজি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। প্ৰাপ্ত তথ্য অনুসৰি অঞ্চলটোত উত্থাপন হোৱা ভূমি দখলৰ অভিযোগৰ ভিত্তিত আজিৰ এই উচ্ছেদ অভিযান চলোৱা হয়। উল্লেখযোগ্য যে পৰহি বিধায়ক ডাঃ মিলন দাসে প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে ঘটনাস্থলী পৰিদৰ্শন কৰিছিল।

ooooo

ওদালগুৰি জিলাৰ কৃষি বিভাগৰ অধীনত মাজবাট কৃষি খণ্ডৰ অন্তৰ্গত ওৰাঙত কেন্দ্ৰীয় আঁচনি **আত্মা** কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত এখন কৰ্মশালা অনুষ্ঠিত হয়। ব্যৱহাৰিক প্ৰশিক্ষণ তথা প্ৰয়োগাত্মক কৰ্মশালাখনত গ্ৰাম্য অৰ্থনীতি সবলীকৰণ আৰু মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। এই উদ্দেশ্যে খাদ্য সুৰক্ষাৰ বাবে কৃষিভিত্তিক শাক-পাচলিৰ বৈজ্ঞানিক মূল্য সংযোজন আৰু স্বাস্থ্য সন্মত আচাৰ প্ৰস্তুতকৰণ প্ৰণালী সন্দৰ্ভত মহিলাসকলক প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাত ওৰাং অঞ্চলৰ বিভিন্ন আত্মসহায়ক গোটৰ ৩০গৰাকী উদ্যমী মহিলাই অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহিলাসকলক আৱশ্যকীয় কেঁচা সামগ্ৰী, কাঁচৰ বৈয়াম, মছলা, পেকেজিং সামগ্ৰী আৰু বিভিন্ন সঁজুলি যোগান ধৰা হয়। ঋতুভিত্তিক উৎপাদিত শাক-পাচলিসমূহ নষ্ট হ'বলৈ নিদি কেনেদৰে বৈজ্ঞানিক, পৰিচ্ছন্ন আৰু স্বাস্থ্যসন্মত পদ্ধতিৰে দীৰ্ঘদিনলৈ সংৰক্ষণ কৰিব পৰা যায় সেই সম্পৰ্কে মহিলাসকলে লাভ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে স্ব-উপাৰ্জনৰ বাট মুকলি কৰিব বুলি আশা কৰা হৈছে।

ooooo

নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত নগাঁও নিৰ্বাচনী জিলাত আসন্ন উপ-নিৰ্বাচন সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাৱে সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত জিলাখনৰ মাণ্ডলিক বিষয়া আৰু খণ্ড বিষয়াসকলৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মাণ্ডলিক আৰু খণ্ড বিষয়াসকলে ক্ষেত্ৰ পৰ্যায়ত পাব পৰা নানা ধৰণৰ সুবিধা-অসুবিধা আৰু প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰা হয়। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভৌগোলিক স্থিতি, যোগাযোগ ব্যৱস্থা, সুৰক্ষা সংক্ৰান্তীয় দিশসমূহৰ বুজ লৈ জিলা আয়ুক্তই বিষয়াসকলক সময়মতে প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা, সুৰক্ষামূলক সীমা প্ৰাচীৰ, খোৱাপানী, শৌচাগাৰ আৰু পথ যোগাযোগ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ বিশেষ আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে জিলাখনৰ ৰাজহ চক্ৰ বিষয়াসকলো উপস্থিত থাকে।

ooooo

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত নৰ্সিংবাৰীৰ পল্লা নৈত গা ধুবলৈ গৈ আজি দুজন কিশোৰৰ সলীল সমাধি ঘটে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে নদীখনত জলকেলী কৰিবলৈ অহা তিনিজন বন্ধুৰ দুজনৰ থিতাতে মত্যু ঘটে। মৃত্যু হোৱা কিশোৰ দুজন সৰুপেটা কাহাৰপাৰাৰ মুন দাস আৰু দিগন্ত কলিতা বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। স্থানীয় ৰাইজৰ সৈতে মিলি আৰক্ষীয়ে  দুয়োজন কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰিছে।

ooooo

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শুটিঙত ভাৰতৰ হিমাংশু ধিলনে ২৫২ দশমিক ৪ পইণ্টেৰে ৰূপৰ পদক আৰু ৰুদ্ৰাংশ পাটিলে ২৩০ দশমিক ৯ পইণ্টেৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে হিমাংশু ধিলন, পাৰ্থ মানে আৰু ৰুদ্ৰাংশ পাটিলেৰে গঠিত ভাৰতীয় দলটোৱে ১০ মিটাৰ এয়াৰ ৰাইফলছৰ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰে। ইফালে মিক্সড সমৰকলাৰ মহিলাৰ ৬০ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত ছুচিকা টাৰিৱালে ছিংগাপুৰৰ টিউ হুই হুনৰ হাতত ০-২ ফলাফলত পৰাজয় বৰণ কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এছিয়ান গেমছ, ২০২৬-ৰ মিক্সড্ সমৰকলাত ব্ৰঞ্জৰ পদক দখল কৰি ইতিহাস ৰচাৰ বাবে ছুচিকা টাৰিৱালক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিয়ে পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল্ছৰ ব্যক্তিগত শাখাত ৰূপৰ পদক অৰ্জন কৰা হিমাংশু ধিলন আৰু ৰুদ্ৰাংশ বালাচাহেব পাটিলক ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে অভিনন্দন জনাইছে। তেওঁ কয়, যে তেওঁলোকৰ আকৰ্ষণীয় প্ৰদৰ্শনে মনোযোগ, নিষ্ঠা আৰু ক্ৰীড়া উৎকৃষ্টতা প্ৰতিফলিত কৰিছে।

ইফালে, এছিয়ান গেমছৰ ১০ মিটাৰ ৰাইফল্ছৰ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে হিমাংশু ধিলন, পাৰ্থ মানে আৰু ৰুদ্ৰাংশ পাটিলৰ দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে তেওঁলোকৰ অসাধাৰণ প্ৰদৰ্শনে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁলোকক অনাগত দিনসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই এছিয়ান গেমছৰ ২০২৬ৰ মিক্সড সমৰকলাৰ মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ ছুচিকা টাৰিৱালক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া পোষ্টত শ্ৰীমন্দাভিয়াই কয়, যে এয়া এক ঐতিহাসিক মুহূৰ্ত কিয়নো এয়া হৈছে মিক্সড সমৰকলাত ভাৰতৰ প্ৰথমটো পদক। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হিমাংশু ধিলন, পাৰ্থ মানে আৰু ৰুদ্ৰাংশ পাটিলকো এছিয়ান গেমছৰ ১০ মিটাৰ এয়াৰ ৰাইফলছৰ দলীয় শাখাত ৰূপৰ পদক লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

ইপিনে, এছিয়ান গেমছৰ মহিলা ক্ৰিকেটৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতে বাংলাদেশক ১১৪ ৰানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কাইলৈ হ'বলগীয়া ফাইনেলত শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব।

ভাৰতৰ মহিলা বেডমিণ্টন দলেও কাজাখস্তানক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতীয় পুৰুষ হকী দলে এছিয়ান গেমছত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে কালি ইণ্ডোনেছিয়াক ১৩-১ গ'লত পৰাস্ত কৰে। ভাৰত কাইলৈ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

মঙলদৈৰ বিশিষ্ট সমাজকৰ্মী বিপিন চন্দ্ৰ দাসৰ আজি পুৱা নিজ বাসগৃহত ৮২ বছৰ বয়সত মৃত্যু হয়। মঙলদৈৰ ৩ নম্বৰ ৱাৰ্ড নিৰ্বাসী প্ৰয়াত দাস মঙলদৈ সনাতন ধৰ্ম সভা, ৰাম জানকী মন্দিৰ, ৩ নম্বৰ ৱাৰ্ড দুৰ্গা পূজা উদযাপন সমিতি, মঙলদৈ নগৰ শ্মশান পৰিচালনা সমিতিৰ অন্যতম উদ্যোক্তা হিচাপে সেৱা আগবঢ়াইছিল। সমাজকৰ্মীগৰাকীৰ মৃত্যুত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী নিলীমা দেৱী, বিধায়ক ডিঃ পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস আদিকে ধৰি বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। আজি দুপৰীয়া মঙলদৈ টেঙাবাৰী শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন হয়।

০০০০০০

সমাপ্ত